এই লোকসকলৰ হৈছে কি? এওঁলোকে এনেকুৱা কথা কিয় কৈছে? মই দেখোন নামাজো পঢ়োঁ আৰু টোপনিও যাওঁ, ৰোজাও ৰাখোঁ আৰু ইফতাৰো কৰোঁ, নাৰীসকলক বিবাহো কৰোঁ। এতেকে শুনা! যিয়ে মোৰ ছুন্নতৰ পৰা বিমুখ হ'ব, সি মোৰ অন্তৰ্ভুক্ত নহয়।

আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, চাহাবাসকলৰ এটা দলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰীসকলক তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ গোপন ইবাদত সম্পৰ্কে সুধিলে। (তেওঁলোকে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ইবাদত সম্পৰ্কে শুনি) কোনোবাই ক'লে যে, মই কেতিয়াও বিবাহ নকৰাম, কোনোবাই ক'লে, মই আৰু কেতিয়াও মাংস নাখাওঁ, আৰু আন কোনোবাই ক'লে, মই আজিৰ পৰা বিছনাত শুবলৈ নাযাওঁ। এই খবৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পাই, তেখেতে আল্লাহৰ হাম্দ অ ছানা পাঠ কৰিলে আৰু
ক'লেঃ "এই লোকসকলৰ হৈছে কি? এওঁলোকে এনেকুৱা কথা কিয় কৈছে? মই দেখোন নামাজো
পঢ়োঁ আৰু টোপনিও যাওঁ, ৰোজাও ৰাখোঁ আৰু ইফতাৰো কৰোঁ, নাৰীসকলক বিবাহো
কৰোঁ। এতেকে শুনা! যিয়ে মোৰ ছুন্নতৰ পৰা বিমুখ হ'ব, সি মোৰ অন্তৰ্ভুক্ত নহয়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

কিছুমান চাহাবা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰীসকলৰ ঘৰলৈ আহি প্ৰশ্ন কৰিলে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰৰ ভিতৰত কি কি আমল কৰে। যেতিয়া তেওঁলোকে তেখেতৰ বিষয়ে জনালে, তেতিয়া সেই চাহাবাসকলে তেখেতৰ আমলৰ তুলনাত নিজৰ আমলক খুবেই নগণ্য বুলি ভাবিলে আৰু তেওঁলোকে ক'লেঃ তেখেত নবী হৈ ইমান আমল কৰে আৰু আমি কি কৰি আছোঁ, অথচ তেখেতৰ আগৰ পিছৰ সকলো গুনাহ মাফ কৰি দিয়া হৈছে। পক্ষান্তৰে যাৰ মাগফিৰাত সম্পৰ্কে কোনো নিশ্চয়তাই নাই তেনেকুৱা ব্যক্তিয়েতো আৰু অধিক ইবাদত কৰা উচিত, যাতে সেই মাগফিৰাত অৰ্জন কৰিব পাৰে। ইয়াৰ পিছত কিছুমানে ক'লেঃ মই জীৱনত কেতিয়াও বিবাহ নকৰোঁ। কিছুমানে ক'লেঃ মই আজিৰ পৰা মাংস খোৱা বাদ দিলোঁ। আন কিছুমানে ক'লেঃ মই ৰাতি আৰু নুশুওঁ। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া বিষয়টো গম পালে, তেতিয়া তেখেত ক্ৰোধান্বিত হ'ল, আৰু মানুহক সম্বোধন কৰি ভাষণ প্ৰদান কৰিলে, প্ৰথমে আল্লাহৰ প্ৰশংসা কৰিলে আৰু তেওঁৰ স্তুতি কৰিলে আৰু ক'লেঃ লোকসকলৰ হৈছে কি, সিহঁতে এনেকুৱা এনেকুৱা কথা কিয় কয়? শুনা! আল্লাহৰ শপত খাই কৈছোঁ, মই তোমালোকতকৈ অধিক আল্লাহক ভয় কৰোঁ আৰু তোমালোকতকৈ বেছি তাক্বৱা অৱলম্বন কৰোঁ। কিন্তু মই টোপনিও যাওঁ, যাতে ভালদৰে ইবাদত কৰিবলৈ শক্তি আহৰণ কৰিব পাৰোঁ। মই মাজে মাজে ৰোজা নৰখাকৈও থাকোঁ, যাতে ৰোজা ৰাখিবলৈ শক্তি পাওঁ। এইদৰে মই বিবাহো কৰিছোঁ। এতেকে যিয়ে মোৰ তৰীকাৰ পৰা বিমুখ হ'ব আৰু বেলেগ পদ্ধতিক পূৰ্ণাংগ বুলি ধাৰণা কৰিব, তথা মোৰ তৰীকাৰ বাদে বেলেগ কোনো তৰীকা গ্ৰহণ কৰিব, সি মোৰ অন্তৰ্ভুক্ত নহয়।